# অসমৰ এনআৰচি উন্নীতকৰণ সন্দৰ্ভত আৱশ্যকীয় ৰাজহুৱা ঘোষণা

NRC
NATIONAL REGISTER OF CITIZENS



১। ২০১৭ চনৰ ৩১ ডিচেম্বৰৰ মাজনিশা পৰ্য্যন্ত পৰীক্ষণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা আবেদনকাৰীসকলৰ নাম যোগ্যতাৰ ভিত্তিত সন্নিবিষ্ট কৰি সেইদিনা খচৰা এনআৰচি প্ৰকাশ কৰা হ'ব। এইখন আংশিকভাৱে প্ৰকাশিত খচৰা এনআৰচি (Part Publication of Draft NRC) হ'ব।

২। বাকী যোৱা আবেদনকাৰীসকলৰ পৰীক্ষণৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত পৰৱৰ্ত্তী সময়ত আন এখন খচৰা এনআৰচি প্ৰকাশ কৰা হ'ব। এইখন সম্পূৰ্ণকৈ প্ৰকাশিত খচৰা এনআৰচি (Complete Publication of Draft NRC) হ'ব। সম্পূৰ্ণকৈ প্ৰকাশিত খচৰা এনআৰচি প্ৰকাশৰ তাৰিখ পৃথকভাৱে জনোৱা হ'ব।

৩। ২০১৭ চনৰ ৩১ ডিচেম্বৰত আংশিকভাৱে প্ৰকাশিত খচৰা এনআৰচি (Part Publication of Draft NRC)ত নাম সন্নিৱিষ্ট নোহোৱা আবেদনকাৰীসকলে ভয় আৰু আশংকা কৰিব নালাগে। কিয়নো, তেওঁলোকৰ পৰীক্ষণৰ কাম আগবাঢ়িছে আৰু সোনকালে শেষ হ'ব। প্ৰত্যেক ব্যক্তিৰ ক্ষেত্ৰত ন্যায়সংগত আৰু নিৰপেক্ষভাৱে নিখুত পৰীক্ষণৰ ব্যৱস্থা কৰা হৈছে যাতে ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ সময়সীমাক ভিত্তি কৰি এনআৰচিত সকলো প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম অন্তৰ্ভুক্তি নিশ্চিত কৰিব পৰা যায়।

৪। পৰিয়ালৰ প্ৰত্যেকজন সদস্যৰ নথি-পত্ৰৰ সত্যাসত্যতা তেনে নথি-পত্ৰৰ সংশ্লিষ্ট প্ৰদানকাৰী কৰ্তৃপক্ষৰ দ্বাৰা পৰীক্ষা কৰোৱা হৈছে।

৫। এইটো সম্ভৱ হ'ব পাৰে যে পৰিয়ালৰ কিছুমান সদস্যৰ নাম তেওঁলোকৰ পৰীক্ষণ সম্পূৰ্ণ নোহোৱাৰ বাবে আংশিকভাৱে প্ৰকাশিত খচৰা এনআৰচি (Part Publication of Draft NRC)ত নাথাকিব পাৰে। পৰিয়ালৰ সকলো সদস্যৰ অন্তৰ্ভুক্তি সম্পৰ্কীয় সিদ্ধান্ত পৰৱৰ্ত্তী সময়ত সম্পূৰ্ণকৈ প্ৰকাশ পাবলগীয়া খচৰা এনআৰচি (Complete Publication of Draft NRC)ৰ পৰা জনা যাব।

৬। এইটোও সম্ভৱ হ'ব পাৰে যে পৰিয়ালৰ সকলোবোৰ সদস্যৰ নাম আংশিকভাৱে প্ৰকাশিত খচৰা এনআৰচি (Part Publication of Draft NRC)ত নাথাকিব পাৰে। এনেবোৰ পৰিয়ালৰ ক্ষেত্ৰত অন্তৰ্ভুক্তি সম্পৰ্কীয় সিদ্ধান্ত সম্পূৰ্ণকৈ প্ৰকাশিত খচৰা এনআৰচি (Complete Publication of Draft NRC)ৰ পৰা জনা যাব।

৭। গাওঁ পঞ্চায়তৰ সচিব / লাট মণ্ডল / ৰাজহ চক্ৰ বিষয়াই প্ৰদান কৰা প্ৰমাণপত্ৰ দাখিল কৰা আবেদনকাৰীসকলৰ ক্ষেত্ৰত মাননীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশনা মৰ্ম্মে বিতং পৰীক্ষণৰ ব্যৱস্থা লোৱা হ'ব। ২০১৭ চনৰ ৩১ ডিচেম্বৰ তাৰিখে আংশিকভাৱে প্ৰকাশিত খচৰা এনআৰচি (Part Publication of Draft NRC) প্ৰকাশৰ পিছত তেওঁলোকৰ পৰীক্ষণৰ কাম হাতত লোৱা হ'ব। এনেধৰণৰ আবেদনকাৰীৰ নাম যোগ্যতাৰ ভিত্তিত পৰৱৰ্ত্তী সময়ত সম্পূৰ্ণকৈ প্ৰকাশিত খচৰা এনআৰচি (Complete Publication of Draft NRC)ত অন্তৰ্ভুক্ত কৰা হ'ব।

৮। আবেদনকাৰীসকলৰ পৰা দাবী আৰু আপত্তিসমূহ (Claims & Objections) সম্পূৰ্ণকৈ প্ৰকাশিত খচৰা এনআৰচি (Complete Publication of Draft NRC) প্ৰকাশ হোৱাৰ পিছতহে গ্ৰহণ কৰা হ'ব। সকলোবোৰ দাবী-আপত্তি নিষ্পত্তি কৰাৰ পিছতহে চূড়ান্ত এনআৰচি (Final NRC) প্ৰকাশ কৰা হ'ব।

৯। চূড়ান্ত এনআৰচি (Final NRC) প্ৰকাশৰ পিছত আবেদনকাৰীসকলৰ বিদেশী ন্যায়াধিকৰণ (Foreigners Tribunals)ত আপীল কৰাৰ অধিকাৰ আছে।

১০। এনআৰচি উন্নীতকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটো মাননীয় উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ তত্বাৱধানত অত্যন্ত স্বচ্ছভাৱে ৰূপায়ণ কৰা হৈছে।

১১। এজনো প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম বাদ নপৰাকৈ আৰু কোনো অযোগ্য লোকৰ নাম অন্তৰ্ভুক্ত নোহোৱাকৈ এখন শুদ্ধ এনআৰচি প্ৰস্তুত কৰাতো সুনিশ্চিত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ, ভাৰতৰ মহাপঞ্জীয়ক আৰু ৰাজ্যিক সমন্বয়কৰ দ্বাৰা সমগ্ৰ প্ৰক্ৰিয়াটো বিস্তৃত আৰু নিখুতভাৱে ৰূপায়ণ কৰিবলৈ সকলো প্ৰকাৰে প্ৰচেষ্টা কৰা হৈছে।

*বিঃদ্রঃ অসমত এনআৰচি উন্নীতকৰণ প্ৰক্ৰিয়াৰ কাম অসম চুক্তিমৰ্মে ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ সময়সীমাক ভিত্তি কৰি ১৯৫৫ চনৰ নাগৰিকত্ব আইন আৰু ২০০৩ চনৰ নাগৰিকত্ব বিধিৰ ব্যৱস্থাৱলীৰ আধাৰত ৰূপায়িত হৈছে। ইয়াৰ নেপথ্যত আছেঃ*

- ২০০৫ চনৰ মে' মাহৰ ৫ তাৰিখে মাননীয় প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত অনুষ্ঠিত ত্ৰিপাক্ষিক বৈঠকত এনআৰচি উন্নীতকৰণৰ বাবে লোৱা সিদ্ধান্ত;
- মাননীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশানুসাৰে ভাৰতৰ মহাপঞ্জীয়কৰ দ্বাৰা ২০১৩ চনৰ ডিচেম্বৰ মাহৰ ৬ তাৰিখে ১৯৫১ চনৰ এনআৰচি উন্নীতকৰণৰ বাবে প্ৰয়োজনীয় গেজেট বিজ্ঞপ্তি (Gazette Notification)ৰ প্ৰকাশ।

জনহিতাৰ্থে প্ৰচাৰিত

**ৰাজ্যিক সমন্বয়ক, এনআৰচি, অসম চৰকাৰ**

**নাগৰিক পঞ্জীয়নৰ মহা পঞ্জীয়ক, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ**

বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে

আমাৰ ২৪ x ৭ বিনামূলীয়া হেল্পলাইন নম্বৰত ফোন কৰক | ১৫১০৭ (অসমৰ বাবে) ১৮০০৩৪৫৩৭৬২ (অসমৰ বাহিৰৰ পৰা)

আমাৰ ৱেবচাইট www.nrcassam.nic.in

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক

Exclusive/NRC/12-17-4